# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 15-10-2024
**Time :** 18-45 Hrs.

***Assamese Evening Bulletin***

::::::::::::::::::::::::::::::::::::

১। মহাৰাষ্ট্ৰত এটা আৰু ঝাৰখণ্ডত দুটা পৰ্যায়ত বিধানসভা নিৰ্বাচন।

২। অসমৰ ৫ টা বিধানসভা সমষ্টিত অহা ১৩ নৱেম্বৰত উপ নিৰ্বাচন। অহা ২৩ নৱেম্বৰত ভোটগণনা।

৩। দেশত মহিলা সৱলীকৰণৰ লক্ষ্যৰে কেন্দ্ৰীয় চৰকাৰে প্ৰযুক্তিৰ ব্যৱহাৰ সূচল কৰি তুলিছে বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ মন্তব্য।

৪। কুকি, জো-মাৰ মেইতেই আৰু নগা জনগোষ্ঠীক প্ৰতিনিধিত্ব কৰা মণিপুৰ বিধানসভাৰ কেইগৰাকীমান নিৰ্বাচিত সদস্যৰ আজি নতুন দিল্লীত বৈঠক।

৫। অসম কৃষি বিশ্ববিদ্যালয়ৰ গৱেষক বিজ্ঞানীৰ উচ্চ উৎপাদনক্ষম দুটা লাইশাক আৰু এটা জলকীয়াৰ জাত উদ্ভাৱন। ***আৰু***

৬। যশস্বী সংগীত শিল্পী জয়ন্ত হাজৰিকাৰ মৃত্যু বাৰ্ষিকী উপলক্ষে ৰাজ্যৰ বিভিন্ন প্ৰান্তত শিল্পীগৰাকীৰ স্মৃতিত শ্ৰদ্ধা নিবেদন।

০০০

নিৰ্বাচন আয়োগে মহাৰাষ্ট্ৰ আৰু ঝাৰখণ্ডৰ বিধানসভা নিৰ্বাচনৰ উপৰি অসমৰ ৫ টাকে ধৰি দেশৰ ৪৮ বিধানসভা সমষ্টিত উপ নিৰ্বাচনৰ দিন ঘোষণা কৰিছে। এই অনুসৰি অসমৰ ধলাই, চিদলী, বঙাইগাওঁ, বিহালী আৰু চামগুৰি সমষ্টিত খালী হোৱা আসন ৫ খনৰ বাবে অহা ১৩ নৱেম্বৰত নিৰ্বাচন হ'ব। সেইদিনাখনেই ৱাইনাড সংসদীয় আসনখনৰ বাবেও উপ নিৰ্বাচন অনুষ্ঠিত হ'ব।

আনহাতে, মেঘালয়ৰ এখন আৰু চিকিমৰ দুখন বিধানসভা আসনৰ বাবে উপ নিৰ্বাচন অনুষ্ঠিত হ'ব।

ইপিনে, উত্তৰাখণ্ড আৰু মহাৰাষ্ট্ৰত নন্দেৰ বিধানসভা আসনৰ বাবে ২০ নৱেম্বৰত নিৰ্বাচন অনুষ্ঠিত হ'ব। ইপিনে, মহাৰাষ্ট্ৰত এটা পৰ্যায়ত ২০ নৱেম্বৰত আৰু ঝাৰখণ্ডত ২ টা পৰ্যায়ত ১৩ আৰু ২০ নৱেম্বৰত বিধানসভা নিৰ্বাচন অনুঠিত হ'ব। নতুন দিল্লীত আজি নিৰ্বাচনৰ সূচী ঘোষণা কৰি মুখ্য নিৰ্বাচন আয়ুক্ত ৰাজীৱ কুমাৰে কয় যে, অহা ২২ অক্টোবৰত ২৮৮ জনীয়া মহাৰাষ্ট্ৰ বিধানসভা নিৰ্বাচনৰ বাবে অধিসূচনা জাৰি কৰা হ'ব আৰু অহা ২৯ অক্টোবৰ পৰ্যন্ত মনোনয়ন দাখিল কৰিব পৰা যাব। ৰাজ্যখনত ভোটগ্ৰহণৰ বাবে এক লাখৰো অধিক ভোটকেন্দ্ৰ স্থাপন কৰা হ'ব আৰু ৯ কোটি ৬৩১ লাখৰো অধিক ভোটদাতাই ভোটৰ অধিকাৰ সাব্যস্ত কৰিব পাৰিব। ২৩ নৱেম্বৰত ভোটগণনা অনুষ্ঠিত হ'ব। ঝাৰখণ্ডত অহা ১৮ অক্টোবৰত প্ৰথম পৰ্যায়ৰ ভোটগ্ৰহণৰ বাবে অধিসূচনা জাৰি কৰা হ'ব আৰু ২৫ অক্টোবৰ পৰ্যন্ত প্ৰাৰ্থীয়ে মনোনয়ন দাখিল কৰিব পাৰিব। দ্বিতীয় পৰ্যায়ৰ বাবে ৰাজ্যখনত ২২ তাৰিখে অধিসূচনা জাৰি কৰা হ'ব আৰু ২৯ অক্টোবৰলৈ মনোনয়ন দাখিল কৰিব পাৰিব। মুখ্য নিৰ্বাচনী

আয়ুক্তগৰাকীয়ে প্ৰকাশ কৰা মতে ৰাজ্যখনত ২৬ হাজাৰৰো অধিক ভোটকেন্দ্ৰত ২ কোটি ৬০ লাখৰো অধিক ভোটদাতাই গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰিব পাৰিব। ইফালে নিৰ্বাচনী সূচী ঘোষণা কৰাৰ লগে লগে দুয়োখন ৰাজ্যতে নিৰ্বাচনী আৰ্হি আঁচৰণ বিধি বলবৎ হৈছে।

০০০

উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড় কাইলৈ দুদিনীয়া ভ্ৰমণসূচীৰে অসম আৰু মেঘালয়লৈ আহিব। ভ্ৰমণকালত শ্ৰী ধনখড়ে মুখ্য অতিথি হিচাপে শ্বিলঙৰ মাওদিয়াংদিয়াঙত মেঘালয় দক্ষতা আৰু উদ্ভাৱন কেন্দ্ৰৰ আধাৰশিলা স্থাপন কৰিব। তেওঁ লগতে শ্বিলঙৰ তথ্য প্ৰযুক্তি উদ্যান আৰু ৰাজভৱন পৰিদৰ্শন কৰিব আৰু মুখ্যমন্ত্ৰী তথা অন্য জ্যেষ্ঠ বিষয়াসকলৰ সৈতে বৈঠকত মিলিত হ'ব।

০০০

অসম আৰক্ষীৰ সঞ্চালকপ্ৰধান জি পি সিঙে আজি গোলাঘাট জিলাৰ দেৰগাঁৱৰ লাচিত বৰফুকন আৰক্ষী একাডেমীত এটা প্ৰশিক্ষণ কাৰ্যসূচী উদ্বোধন কৰে। ৪৩ সপ্তাহৰ বাবে আয়োজন কৰা এই প্ৰশিক্ষণ শিবিৰত গোৱা আৰক্ষীৰ ১৩১ গৰাকী মহিলা আৰক্ষী কনিষ্টবলসহ ৭০০ জন কনিষ্টবলৰ প্ৰশিক্ষণৰ ব্যৱস্থা কৰা হৈছে। এই উপলক্ষে আয়োজিত অনুষ্ঠানত ভাষণ দি আৰক্ষী সঞ্চালকপ্ৰধানগৰাকীয়ে কয় যে, প্ৰতিগৰাকী আৰক্ষীয়ে সন্মান, সাহস আৰু ন্যায় প্ৰদানৰ বাবে কৰ্তব্যত নিয়োজিত হ'ব লাগিব। তেওঁ প্ৰশিক্ষণৰত আৰক্ষী-জোৱানসকলক নিয়মানুৱৰ্তিতা, নম্ৰতা, শাৰীৰিক সক্ষমতা আৰু অস্ত্ৰ চালনাত দক্ষতা বৰ্তাই ৰাখিবলৈ আহ্বান জনায়। সঞ্চালকপ্ৰধানগৰাকীয়ে লগতে মণিপুৰ আৰক্ষীৰ এহেজাৰ ৯৫৭ গৰাকী নৱনিযুক্ত আৰক্ষীৰ প্ৰশিক্ষণতো ভাষণ প্ৰদান কৰে।

০০০

কেন্দ্ৰীয় চৰকাৰে দেশত মহিলা সৱলীকৰণৰ লক্ষ্যৰে প্ৰযুক্তিৰ ব্যৱহাৰ সুচল কৰি তুলিছে বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মন্তব্য কৰিছে। নতুন দিল্লীৰ ভাৰত মণ্ডপমত আজি আন্তঃৰাষ্ট্ৰীয় দূৰসংযোগ সংঘ অৰ্থাৎ আই টি ইউৰ বিশ্ব দূৰসংযোগ মান নিৰ্ধাৰণ সভা ২০২৪ মুকলি কৰি দিয়া ভাষণত প্ৰধানমন্ত্ৰীগৰাকীয়ে এইকথা প্ৰকাশ কৰে। অনাগত সময়ৰ ভাৰতবৰ্ষত দেশৰ প্ৰতিগৰাকী কন্যাই প্ৰযুক্তি ক্ষেত্ৰৰ গুৰি ধৰিব বুলি তেওঁ আশা প্ৰকাশ কৰাৰ কথাও ভাষণত উল্লেখ কৰে। ভাৰতে মহিলা নেতৃত্বাধীন বিকাশৰ বাবে গুৰুত্ব সহকাৰে কাম কৰি আছে বুলি প্ৰধানমন্ত্ৰীয়ে মন্তব্য কৰে। তেওঁ কয় যে, ভাৰতৰ জি টুৱেণ্টি দেশসমূহৰ সন্মিলনত অধ্যক্ষতাৰ সময়তো এই বিষয়টোত গুৰুত্ব দিয়া হৈছিল।

ঃঃ বাইট-পি. এম. ঃঃ

তেওঁ কয় যে, ভাৰত সম্প্ৰতি দূৰসংযোগ আৰু আনুষংগিক প্ৰযুক্তি ক্ষেত্ৰৰ সবাতোকৈ সক্ৰিয় দেশৰূপে পৰিগণিত হৈছে। তেওঁ কয় যে, দেশত ১২০ কোটি মোবাইল ফোন আৰু ৯৫ কোটি ইণ্টাৰনেট ব্যৱহাৰকাৰী আছে। বিশ্বৰ ৪০ শতাংশৰো অধিক ডিজিটেল লেনদেন ভাৰততে হয় বুলিও প্ৰধানমন্ত্ৰীয়ে প্ৰকাশ কৰে। তেওঁ কয় যে, ভাৰতে সমাজৰ শেষজন ব্যক্তিলৈ সেৱা আগবঢ়োৱাৰ উদ্দেশ্যে ডিজিটেল যোগাযোগক ফলপ্ৰসূ আহিলাৰূপে গঢ়ি তুলিছে। দেশৰ ডিজিটেল দৃষ্টিভংগী-কম খৰচী আহিলা, সৰ্বত্ৰ যোগাযোগ, বহনক্ষম ডেটা আৰু ডিজিটেল প্ৰথম এই চাৰিটা স্তম্ভৰ ওপৰত আধাৰিত বুলি শ্ৰী মোদীয়ে উল্লেখ কৰে। তেওঁ কয় যে ভাৰত বিশ্বৰ দ্বিতীয় সৰ্ববৃহৎ

বজাৰ ৰূপে পৰিগণিত হৈছে আৰু চৰকাৰে বৰ্তমান ছিক্স-জি প্ৰযুক্তি সন্দৰ্ভত ব্যাপকভাৱে কাম কৰি আছে। দেশৰ প্ৰায় প্ৰতিখন জিলাই ফাইভ-জি নেটৱৰ্কৰ দ্বাৰা সংযুক্ত বুলি প্ৰধানমন্ত্ৰীয়ে প্ৰকাশ কৰে। তেওঁ কয় যে, ভাৰতে দূৰ সংযোগ খণ্ডৰ সূচনা কৰা সংস্কাৰ আৰু উদ্ভাৱন কল্পনাতীত আৰু অভূতপূৰ্ব।

০০০

অসম কৃষি বিশ্ববিদ্যালয়ৰ গৱেষক বিজ্ঞানীয়ে উচ্চ উৎপাদনক্ষম দুটা লাইশাকৰ জাত আৰু এটা জলকীয়াৰ জাত উদ্ভাৱন কৰিবলৈ সক্ষম হৈছে। বিশ্ববিদ্যালয়খনৰ উদ্যান বিজ্ঞান বিভাগৰ গৱেষক বিজ্ঞানীয়ে দীৰ্ঘদিনীয়া গৱেষণাৰ জৰিয়তে প্ৰথমবাৰৰ বাবে **কাজলি** আৰু **লাইকা** নামৰ লাইশাকৰ দুটা জাত আৰু **প্ৰৱালী** নামৰ জলকীয়াৰ জাত উদ্ভাৱন কৰিছে। বিজ্ঞানীসকলে প্ৰকাশ কৰা মতে লাইশাকৰ জাত দুটা ৮৫ৰ পৰা ৯০ দিনৰ শস্যক্ৰমত হেক্টৰে প্ৰতি ৪০০ৰ পৰা ৪৫০ কুইণ্টল উৎপাদন কৰিব পাৰিব। আনহাতে জলকীয়াৰ জাতটোৱে হেক্টৰে প্ৰতি ১২০ৰ পৰা ১৩০ কুইণ্টল উৎপাদন কৰিব পাৰিব।

০০০

ৰাজ্য চৰকাৰে বিশ্ব মানসিক স্বাস্থ্য দিৱসৰ সৈতে সংগতি ৰাখি মানসিক ৰোগৰ চিকিৎসা, যতন আদি সন্দৰ্ভত জনসাধাৰণৰ মাজত সজাগতা সৃষ্টিৰ উদ্দেশ্যে মাহযোৰা কাৰ্যসূচী পালন কৰিছে। ৰাজ্য চৰকাৰে মানসিক ৰোগ সম্বন্ধীয় যিকোনো সমস্যাৰ ক্ষেত্ৰত পৰামৰ্শৰ বাবে ১৪৪১৬ হেল্পলাইন নম্বৰ মুকলি কৰিছে। দুখ আৰু হতাশাবোধ, অত্যধিক ভয় বা চিন্তা, আত্মহত্যাৰ প্ৰৱণতা, সুৰা বা ড্ৰাগছৰ প্ৰতি আসক্তি বৃদ্ধি, অত্যধিক ভাগৰ লগা বা টোপনিৰ সমস্যা আদি লক্ষণ পৰিলক্ষিত হ'লে চৰকাৰে নিকটৱৰ্তী জিলা মানসিক স্বাস্থ্য কোষৰ সৈতে যোগাযোগ কৰিবলৈ আহ্বান জনাইছে। উল্লেখযোগ্য যে, প্ৰতিবছৰে ১০ অক্টোবৰত বিশ্ব মানসিক স্বাস্থ্য দিৱস পালন কৰা হয়। এই বছৰৰ এই দিৱসৰ মূলমন্ত্ৰ আছিল- **কৰ্মস্থলীত মানসিক স্বাস্থ্য**।

০০০

অসমৰ যশস্বী সংগীত শিল্পী জয়ন্ত হাজৰিকাৰ মৃত্যু বাৰ্ষিকী উপলক্ষে আজি ৰাজ্যৰ বিভিন্ন প্ৰান্তত জনসাধাৰণে শিল্পীগৰাকীৰ স্মৃতিত শ্ৰদ্ধা নিবেদন কৰে। ১৯৪৩ চনৰ ২০ চেপ্তেম্বৰত জন্মগ্ৰহণ কৰা শিল্পীগৰাকীৰ ১৯৭৭ চনৰ আজিৰ দিনটোতে দেহাৱসান হৈছিল। একেধাৰে গীতিকাৰ, সুৰকাৰ, সংগীত পৰিচালক তথা গায়ক হিচাপে জনমানসত প্ৰতিষ্ঠা লাভ কৰা শিল্পীগৰাকীয়ে ৬০ ৰ দশকত অসমীয়া সংগীত জগতত আত্মপ্ৰকাশ কৰি কম সময়ৰ ভিতৰতে অগণন শ্ৰোতা জনতাক নিজৰ সংগীতেৰে মুগ্ধ কৰিছিল। স্বকীয় সংগীতৰ ধাৰাৰে অসমৰ সংগীতপ্ৰেমীক নতুনত্বৰ সোৱাদ দিয়া হাজৰিকাই নিজৰ সংগীতত অসমীয়া লোক সংগীতৰ লগতে হিন্দুস্থানী ধ্ৰুপদী সংগীত আৰু পশ্চিমীয়া সংগীতৰো সংমিশ্ৰন ঘটাইছিল। বনৰীয়া ফুল, বৃষ্টি, নিয়তি, আৰু ধৰ্মকাই ছবিৰ সংগীত পৰিচালনা কৰা হাজৰিকাৰ সংগীত পৰিচালনা কৰা ছবি নতুন আশা তেওঁৰ মৃত্যুৰ পাছত পত্নী মনিষা হাজৰিকাই সংগীতেৰে সম্পূৰ্ণ কৰিছিল। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই প্ৰসিদ্ধ শিল্পীগৰাকীলৈ শ্ৰদ্ধাৰ্ঘ্য নিবেদন কৰিছে। মুখ্যমন্ত্ৰী শৰ্মাই সামাজিক মাধ্যম যোগে কৈছে যে, জয়ন্ত হাজৰিকাৰ যাদুকৰী কণ্ঠ আৰু সুৰৰ স্বকীয় শৈলীয়ে অসমীয়া সংগীতক নতুন মাত্ৰা দিছিল। প্ৰতিটো প্ৰজন্মৰ শিৰাই শিৰাই প্ৰবাহিত হৈ থকা শিল্পীগৰাকীৰ গীতসমূহে তেখেতক প্ৰতিগৰাকী শ্ৰোতাৰ হৃদয়ত চিৰকাল জীয়াই ৰাখিব বুলি তেওঁ প্ৰকাশ কৰিছে।

০০০

গোলাঘাট জিলা আয়ুক্তৰ কাৰ্যালয়ৰ সভাগৃহত আজি জিলা উন্নয়ন সমিতিৰ এখন পৰ্যালোচনা সভা অনুষ্ঠিত হয়। জিলা আয়ুক্তৰ সভাপতিত্বত অনুষ্ঠিত সভাখনত সকলো চৰকাৰী বিভাগৰ উন্নয়নমূলক কাম-কাজৰ পুংখানুপুংখ খতিয়ান লোৱা হয়। সভাত জিলা আয়ুক্তই জিলাখনৰ সামগ্ৰিক উন্নয়ন আৰু সূচক মানসমূহৰ স্থান ঊৰ্ধগামী কৰাৰ উদ্দেশ্যে সকলো বিভাগীয় কৰ্তৃপক্ষকে চৰকাৰৰ নিৰ্ধাৰিত সময়সূচী অনুসৰি কাম কৰিবলৈ নিৰ্দেশ দিয়ে। তদুপৰি জনসাধাৰণক যাতে চৰকাৰৰ সেৱাসমূহ ক্ষীপ্ৰভাৱে প্ৰদান কৰিব পাৰি তাৰ প্ৰতি বিশেষ লক্ষ্য ৰাখিবলৈ আহ্বান জনায়। সভাত জিলা উন্নয়ন আয়ুক্ত, বোকাখাত, সৰুপথাৰ, দেৰগাঁৱৰ সমজিলা আয়ুক্তসকল, বিভাগীয় মুৰব্বী বিষয়াৰ লগতে জিলা প্ৰশাসনৰ অন্যান্য বিষয়াসকল উপস্থিত থাকে।

০০০

যোৰহাট জিলা আয়ুক্তই আজি লাচিত মৈদাম আৰু নতুন জিলা আয়ুক্তৰ কাৰ্যালয়কে ধৰি চলি থকা লোকনিৰ্মাণ-গৃহ বিভাগৰ বিভিন্ন কাম পৰিদৰ্শন কৰে। এই পৰিদৰ্শনকালত লোকনিৰ্মাণ-গৃহ বিভাগৰ অভিযন্তা, ঠিকাদাৰ আৰু প্ৰকল্প ব্যৱস্থাপনা পৰামৰ্শ উপস্থিত থাকে।

০০০

গোলাঘাট জিলাৰ নুমলীগড়ৰ বগীঢলা চাহ বাগিচাত বাগিচাখনৰ নলাত সোমাই এটা বন্যহস্তী পোৱালীৰ মৃত্যু হয়। খাদ্যৰ সন্ধানত জনাঞ্চললৈ হাতীৰ জাকৰ সৈতে ওলাই আহোতে নলাত পৰি আৱদ্ধ হৈ হাতী পোৱালিটোৰ মৃত্যু ঘটা বুলি জানিব পৰা গৈছে।

০০০

বাতৰি কাকত প্ৰতিষ্ঠান আছাম ট্ৰিবিউন গোষ্ঠীৰ অন্যতম সঞ্চালক সুৰজিৎ গোবিন্দ বৰুৱাৰ আজি গুৱাহাটীৰ এখন ব্যক্তিগত চিকিৎসালয়ত মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৭২ বছৰ। ট্ৰিবিউন বাতৰি কাকতৰ অন্যতম স্বত্বাধিকাৰীৰ মৃত্যুত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই গভীৰ শোক প্ৰকাশ কৰিছে। এটা শোকবাৰ্তাত মুখ্যমন্ত্ৰীগৰাকীয়ে বৰুৱাৰ মৃত্যু সমাজৰ বাবে বৃহৎ ক্ষতি বুলি উল্লেখ কৰে। কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালেও গভীৰ শোক প্ৰকাশ কৰি কয় যে, প্ৰয়াত বৰুৱাই ৰাজ্যৰ সংবাদ জগতলৈ আগবঢ়াই থৈ যোৱা অনবদ্য অৱদানৰ বাবে স্মৰণীয় হৈ ৰ'ব। মন্ত্ৰীগৰাকীয়ে বিদেহ আত্মাৰ সদগতি কামনা কৰে আৰু শোকসন্তপ্ত পৰিয়াল তথা ট্ৰিবিউন গোষ্ঠীৰ সদস্যসকললৈ গভীৰ সমবেদনা প্ৰকাশ কৰে।

০০০

ঃঃ সমাপ্ত ঃঃ